**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 18-06-2026 Time : 1800 Hrs**

***Assamese Evening Bulletin***

**---------------------------**

০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰৰ ১২ বছৰ পূৰ্তি উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত ভিন ভিন কাৰ্যসূচীৰ আয়োজন।

২। মন্ত্ৰী কৌশিক ৰায় বৰাক উপত্যকাৰ পথ আৰু যোগাযোগ আন্তঃগাঁথনিৰ উন্নয়নৰে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা।

৩। বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ প্ৰয়াত কবি জোনমণি দাসৰ পৰিয়ালক সাক্ষাৎ।

**আৰু**

৪। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কোৰিয়ান ভাষা কেন্দ্ৰলৈ দক্ষিণ কোৰিয়াৰ এটা সংস্থাৰ প্ৰায় ১২ হাজাৰ গ্ৰন্থ প্ৰদান।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰে ১২ বছৰ সফলতাৰে কাৰ্যকাল সম্পূৰ্ণ কৰা উপলক্ষে আজি ডিফুত জনকল্যাণ শিবিৰ আয়োজন কৰা হয়। ডিফুৰ ছাৰচিং তেৰণ টাউন হলত আয়োজিত কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ৰংখাং বিধানসভা সমষ্টিৰ বিধায়ক তুলিৰাম ৰংহাং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ পাহাৰীয়া জিলাখনত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহৰ সুফলসমূহ জনসাধাৰণে লাভ কৰিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত ডিফুত চিন্থেটিক ট্ৰেকযুক্ত ষ্টেডিয়াম নিৰ্মাণ কৰা হয় বুলি উল্লেখ কৰাৰ লগতে জিলাখনৰ ছটা বিদ্ৰোহী সংগঠনৰ সৈতে বুজাবুজিৰ চুক্তি সম্পন্ন কৰা হয় বুলি প্ৰকাশ কৰে। আজিৰ কাৰ্যসূচীত ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰচিং তিছো, বিধায়কদ্বয় নিছো টেৰাংপী আৰু ড০ হাবে টেৰণ, জিলা আয়ুক্ত আৰণ্যক শইকীয়া, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ অভিজিত ক্ৰ'কে ধৰি ভালেমান বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

ইপিনে, ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ উদ্যোগত হাইলাকান্দি জিলাত আজিৰে পৰা তিনিদিনীয়াকৈ জনকল্যাণ শিবিৰ অনুষ্ঠিত হৈছে। হাইলাকান্দিৰ বিধায়ক ডাঃ মিলন দাসে আজি এই শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ লক্ষ্যৰে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰত বিভিন্ন চৰকাৰী বিভাগে সহায়ক কেন্দ্ৰ, সজাগতামূলক বিপণী আদি স্থাপন কৰি ৰাইজে যাতে সহজে তথ্য লাভ কৰিব পাৰে আৰু চৰকাৰী সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত ভাষণ দি বিধায়ক ডাঃ মিলন দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১২ বছৰত হোৱা উন্নয়ন আৰু বিভিন্ন জনকল্যাণমূলক পদক্ষেপৰ আলোকপাত কৰে।

০০০০০০০

ৰাজ্যৰ খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে কয় যে বৰাক উপত্যকাৰ পথ আৰু যোগাযোগ আন্তঃগাঁথনিৰ উন্নয়ন পুনৰনিৰ্মাণ আৰু মেৰামতিৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। উপত্যকাটোত যোগাযোগ ব্যৱস্থা অধিক উন্নত, সুৰক্ষিত আৰু আধুনিক কৰি গঢ়ি তোলাৰ বাবে বিভিনন প্ৰকল্প বৰ্তমান অব্যাহত আছে আৰু ভালেমান প্ৰকল্প সন্দৰ্ভত আলোচনা অব্যাহত আছে। বিশেষকৈ মালিদহৰ পৰা

বদৰপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পুনৰনিৰ্মাণৰ কাম, শিলচৰ চহৰৰ কেপিটেল পইণ্টৰ পৰা ৰাংগীৰখাৰিলৈ আৰু পয়লাপুলৰ পৰা কুমাচৰালৈ যোৱাৰ পথৰ লগতে শিলচৰ-জিৰিবাম সংযোগী পথৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভত সবিশেষ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয় যে  বৰাক উপত্যকা আৰু জনসাধাৰণৰ যাতায়াত ব্যৱস্থা সহজ তথা সুৰক্ষিত কৰি তোলাৰ বাবে এই প্ৰকল্পসমূহৰ নিৰ্মাণ কাৰ্য অতি শীঘ্ৰে সমাপ্ত কৰা হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে ৰাজ্যত পথ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ বাবে বিশেষ অগ্ৰাধিকাৰ দিছে।

0000000

নিচামুক্ত ভাৰত সপ্তাহ ২০২৬ উদযাপনৰ অংশ হিচাপে আজি চৰাইদেউ জিলাৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠানত গণ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। নিচামুক্ত ভাৰত অভিযানৰ অধীনত ৰূপায়ণ কৰা এই কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত নিচাজাতীয় দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱ সন্দৰ্ভত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয় আৰু সকলোৱে এখন সুন্দৰ সমাজ গঢ়ি তোলাৰ বাবে সংকল্প গ্ৰহণ কৰে। এই প্ৰচেষ্টাৰ জৰিয়তে যুৱ প্ৰজন্মৰ মাজত সজাগতা বৃদ্ধি কৰি তেওঁলোকক উন্নত জীৱনশৈলীৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে।

0000000

লোকপিয়ল-২০২৭ৰ কাৰ্য্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আজি চৰাইদেউত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত  প্ৰশিক্ষণ আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ কৰ্মীসকলৰ দক্ষতা বৃদ্ধিৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাখনত সঠিক তথ্য,  শৃংখলাৱদ্ধ প্ৰশিক্ষণ প্ৰক্ৰিয়া আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ সু-সমন্বয় ৰক্ষা কৰা বিষয়ত আলোচনা কৰা হয়। চৰাইদেউ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সৰোজ সোণোৱালে এই সভাত সভাপতিত্ব কৰে। সভাখনত সহকাৰী আয়ুক্ত তথা কাৰ্য্যবাহী দণ্ডাধীশ অম্লান ফুকনে লোক-পিয়লৰ প্ৰস্তুতি আৰু পৰ্য্যায়সমূহৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ প্ৰশিক্ষণ আৰু তথ্য সংগ্ৰহৰ সময়ত নিজৰ দায়িত্বসমূহ তথা চৰকাৰী নিৰ্দেশসমূহ সুচাৰুৰূপে পালন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

0000000

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি প্ৰয়াত কবি জোনমণি দাসৰ পৰিয়ালক সাক্ষাৎ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনসংযোগ অভিযানৰ অংশ হিচাপে শিৱসাগৰৰ থানামুখত থকা প্ৰয়াত দাসৰ বাসগৃহত গৈ তেওঁৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে মাৰ্ঘেৰিটা পৰিয়ালৰ উদ্যোগত চলি অহা সাহিত্যিক দেওৰাম তাছা সোঁৱৰণী স্কলাৰশ্বিপৰ অধীনত জোনমণি দাসৰ জ্যেষ্ঠ সন্তানৰ শিক্ষাৰ ব্যয় বহন কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অনুমোদিত ১ লাখ টকাৰ আৰ্থিক সাহায্যও অচিৰেই পৰিয়ালক প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে।

বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)

0000000

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কোৰিয়ান লেংগুৱেজ চেণ্টাৰলৈ দক্ষিণ কোৰিয়াৰ ৱৰ্ল্ড ফ্ৰেগৰেণ্ট কো-অপাৰেচন নামৰ মানৱতাবাদী এটা সংস্থাই প্ৰায় ১২ হাজাৰ গ্ৰন্থ দান কৰিছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য অধ্যাপক ড০ জিতেন হাজৰিকা, পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে সংস্থাটোৰ এই বৰঙণিত কৃতজ্ঞতা প্ৰকাশ কৰি কয়, যে সংস্থাটোৰ এই প্ৰয়াসে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু দক্ষিণ কোৰিয়াৰ মাজত শৈক্ষিক তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ আদান-প্ৰদানত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। অনাগত দিনত এনে পদক্ষেপৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব বুলিও উপাচাৰ্য্যগৰাকীয়ে মত প্ৰকাশ কৰে।

0000000

অহা ২১ জুন, দেওবাৰে হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা - নীট-২০২৬ৰ পুনৰ পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে আজি যোৰহাটৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত তথা জিলা উন্নয়ন আয়ুক্ত শ্যামল ক্ষেত্ৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ ল'বলগীয়া পদক্ষেপসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত, চক্ৰ বিষয়া, সংশ্লিষ্ট পৰীক্ষা কেন্দ্ৰসমূহৰ অধ্যক্ষ তথা অধ্যাপকসকল, সহকাৰী আয়ুক্তসকল, আৰক্ষী বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ লগতে আন সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ধেমাজি জিলাৰ নিলখ বালিজানত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস আয়োজন কৰা হৈছে। নিলখ বালিজান জনসেৱক পুঁথিভৰালৰ সৌজন্যত গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পনৰ পাছতেই বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত কৰি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অনুষ্ঠানত পৰৱৰ্তী দিনকেইটাত ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি, ৰাভা সংগীত, কুইজ, আলোচনাচক্ৰ, একাংক নাট প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব।

০০০০০০০

যোৰহাট জিলাৰ বালিগাঁও পৰ্বতীয়া গাঁও পঞ্চায়তত অঞ্চলটোৰ কৃষকসকলৰ মাজত আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আৰু পুষ্টি অভিযান আঁচনিৰ অধীনত উন্নত মানৰ ধান আৰু তিলৰ বীজ বিতৰণ কৰা হয়। এই অনুষ্ঠানত টীয়ক সমষ্টিৰ বিধায়ক বিকাশ শইকীয়াৰ লগতে পঞ্চায়তৰ প্ৰতিনিধি, যোৰহাট জিলা কৃষি বিষয়া, মহকুমা কৃষি বিষয়া, কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়ক তথা স্থানীয় কৃষকসকল উপস্থিত থাকে।

০০০০০০০

বিশ্বনাথ জিলা অসামৰিক চিকিৎসালয়ত আজি বিগত দুটা বৰ্ষত এহেজাৰৰো অধিক সৰ্পদংশন ৰোগীক সুস্থ কৰি তোলা চিকিৎসক তথা চিকিৎসা কৰ্মীসকলক বিশেষভাৱে অভিনন্দন জনোৱা হয়। উল্লেখযোগ্য যে, সৰ্পবান্ধৱ হিচাপে পৰিচিত সৌৰভ বৰকটকীৰ সৌজন্যত বিগত দুটা বৰ্ষত তেওঁলোকে সাপে খোঁটা লোকসকলক চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তুলিছে। এই ক্ষেত্ৰত চিকিৎসালয়খনৰ অধীক্ষক ডাঃ ৰিপন চুতীয়াই বিশেষভাৱে সেৱা আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই চিকিৎসালয় চৌহদত এটা ৰুদ্ৰাক্ষৰ পুলি ৰোপন কৰে। জিলা আয়ুক্তগৰাকীয়ে সকলো চিকিৎসা কৰ্মী তথা সৰ্পবান্ধৱসকলৰ শলাগ লোৱাৰ লগতে অনাগত দিনত চিকিৎসালয়খনত দুখন আই চি ইউ বিছনাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে অহা ২২ জুনৰ পৰা মা কামাখ্যা মন্দিৰত হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ২৪ গৰাকী অসামৰিক সেৱাৰ বিষয়াক দায়িত্ব অৰ্পণ কৰিছে। ইতিমধ্যে শক্তিপীঠ কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

০০০০০০০

সমাপ্ত